**2022**

# ASSAMESE

Paper : MIL-2

**( Introduction to Assamese Prose, Short Story and Novel )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৩=৩

(i) 'আৱাহন' আলোচনীৰ প্ৰথমগৰাকী সম্পাদক কোন?

(১) নগেন্দ্ৰনাৰায়ণ চৌধুৰী

(২) দীননাথ শৰ্মা

(৩) নকুলচন্দ্ৰ ভূঞা

(৪) লক্ষ্মীনাথ বেজবৰুৱা

(ii) 'কথাগীতা'ৰ ৰচক কোন?

(১) শংকৰদেৱ

(২) মাধৱদেৱ

(৩) দামোদৰদেৱ

(৪) ভট্টদেৱ

*(iii)* খেৰাই কোন জনগোষ্ঠীৰ প্ৰধান ধৰ্মীয় উৎসৱ?

(১) ৰাভাসকলৰ

(২) বড়োসকলৰ

(৩) মিচিংসকলৰ

(৪) কাৰ্বিসকলৰ

(খ) চমু উত্তৰ দিয়া : ১×৩=৩

*(i)* 'জিকিৰ'বোৰক কোন শ্ৰেণীৰ গীতৰ লগত তুলনা কৰিব পাৰি?

*(ii)* 'গুণমালা' পুথিখনৰ ৰচক কোন?

*(iii)* 'ৰামৰ বন গমন' পাঠটি ক'ৰ পৰা লোৱা হৈছে?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) ৰামধেনু যুগৰ দুজন ঔপন্যাসিকৰ নাম লিখা।

(খ) 'ধন্য নৰতনু ভাল' আৰু 'যাকেৰি নাহিকে উপাম' গ্ৰন্থ দুখন কাৰ কাৰ জীৱনক লৈ ৰচিত?

(গ) মামণি ৰয়চম গোস্বামীয়ে কোনখন উপন্যাসৰ বাবে, কিমান চনত সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(ঘ) মহিম বৰা ৰচিত দুটা গল্পৰ নাম লিখা।

(ঙ) বড়োসকলৰ পৰম্পৰাগত সাজপাৰত ব্যৱহাৰ কৰা কেইটামান চানেকিৰ নাম উল্লেখ কৰা।





৩। (ক) উত্তৰ দিয়া (যি কোনো তিনিটা) : ৫×৩=১৫

*(i)* 'মধুপুৰ বহুদূৰ' গল্পটোৰ নামাকৰণ সম্পৰ্কে এক চমু আলোচনা কৰা।

*(ii)* 'ভদৰী' গল্পটোত লেখকে চৰিত্ৰ-চিত্ৰণত সাৰ্থক হৈছেনে? বিচাৰ কৰা।

*(iii)* মণিৰাম দেৱানৰ স্বদেশপ্ৰেম তেওঁৰ ব্যক্তিত্বত কেনেদৰে প্ৰকাশ পাইছিল, আলোচনা কৰা।

*(iv)* চৰিত সাহিত্য বুলিলে কি বুজা, চমুকৈ লিখা।

(খ) চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

খেৰাই নৃত্য, ভট্টদেৱ, কথা ৰামায়ণ, শীলভদ্ৰ, চৰিত পুথি, চৈয়দ আব্দুল মালিক, জিকিৰ, ৰজা দশৰথ।

৪। উত্তৰ দিয়া (যি কোনো দুটা) : ১০×২=২০

(ক) 'ৰামৰ বন গমন' পাঠটিৰ আধাৰত ৰামৰ চৰিত্ৰটো বিশ্লেষণ কৰা।

(খ) 'মধুপুৰ বহুদূৰ' গল্পটোৰ ভাষাশৈলী সম্পৰ্কে আলোচনা কৰা।

(গ) "হু, এই গৰু নাই, মাটি নাই, চাকৰি নাই, এই বাইচিকলখনেই খুৱাই আছে, এই বাইচিকলখনকে অনাদৰ।" কোনে, কি প্ৰসংগত, কাক কথাখিনি কৈছে, আলোচনা কৰা।

৫। অসমীয়া চুটিগল্পৰ সমৃদ্ধি আৰু বিকাশত ৰামধেনু যুগৰ অৱদান সম্পৰ্কে বহলাই আলোচনা কৰা। ১৪

*অথবা*

স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাস সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

★★★